অধ্যায় ৩ ঃ *গুৰু-চৰিত-কথা* (মহেশ্বৰ নেওগ সম্পাদিত, ১৬২নং দফাৰ পৰা ১৯০নং দফালৈ)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ *চৰিত পুথিৰ* উদ্ভৱ আৰু বিকাশ

৩.৪ *গুৰু-চৰিত-কথা* (১৬২নং দফাৰ পৰা ১৯০নং দফালৈ)

- ৩.৪.১ পাঠটিৰ উৎস
- ৩.৪.২ মূল পাঠৰ আভাস
- ৩.৪.৩ বিষয়বস্তুৰ পৰিচয়
- ৩.৪.৪ নাৰায়ণ দাস ঠাকুৰ আতাৰ চাৰিত্রিক বৈশিষ্ট্য
- ৩.৪.৫ *গুৰু-চৰিত-কথাৰ* গদ্যৰীতি
- ৩.৪.৬ কঠিন শব্দৰ টোকা

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.৮ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া চৰিত পুথিৰ বিষয়ে জানিব পাৰিব
- অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে আলোচনা কৰিব পাৰিব
- অধ্যায়টিত সন্নিৰিষ্ট হোৱা পাঠ্যাংশৰ আধাৰত চৰিত তোলা প্ৰথা আৰু পৰম্পৰা সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব
- ঠাকুৰ আতাৰ চৰিত্ৰ আৰু বংশাৱলী সম্পৰ্কে আলোচনা কৰিব পাৰিব
- মধ্যযুগীয় চৰিত পুথিৰ গদ্যশৈলীৰ পৰিচয় লাভ কৰিব।

৩.২ পৰিচয়

এইটো 'অসমীয়া গদ্য সাহিত্য' শীৰ্ষক পাঠ্যবিষয়ৰ চতুৰ্থ অধ্যায়। ইয়াৰ শীৰ্ষক *গুৰু-চৰিত-কথা* (মহেশ্বৰ নেওগ সম্পাদিত, ১৬২ৰ পৰা ১৯০নং দফালৈ)। এই অধ্যায়ত আগবঢ়োৱা

আলোচনাৰ মাধ্যমেদি *গুৰু-চৰিত-কথাৰ* বিষয়বস্তুৰ বৈচিত্র্যপূর্ণ দিশসমূহৰ লগতে পাঠটোৰ আলোচ্য ব্যক্তি নাৰায়ণ দাস ঠাকুৰ আতাৰ ব্যক্তিত্বত আলোকপাত কৰা হৈছে।

৩.৩ চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ

আপোনাক এই শাখাত এতিয়া অসমৰ মধ্যযুগীয় চৰিত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে জনাবলৈ চেষ্টা কৰিম। খ্ৰীষ্টীয় ষোড়শ শতিকাৰ শেষ ভাগ আৰু সপ্তদশ শতিকাৰ আৰম্ভণিৰ পৰা অসমীয়া সাহিত্যত চৰিত সাহিত্য সৃষ্টিৰ শুভাৰম্ভ হয়। প্ৰায় এশ বছৰ কাল জুৰি আমাৰ দেশত এই শ্ৰেণীৰ সাহিত্যৰ অন্তৰ্গত পুথিৰ উদ্ভৱ আৰু বিকাশ ঘটে। এই চৰিত পুথিসমূহত শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি মহাপুৰুষসকলৰ লগতে অন্যান্য শিষ্য-প্ৰশিষ্য আৰু সন্ত-মহন্তসকলৰ জীৱন-লীলা বৰ্ণিত হৈছে। শঙ্কৰদেৱ আৰু মাধৱদেৱক তিৰোধানৰ পাছত তেওঁলোক দুজনাক গুৰু মানি লোৱা শিষ্যসকলে সত্ৰানুষ্ঠানসমূহত তেওঁলোকৰ গুণানুকীর্তন কৰিছিল। ইয়াৰ আধাৰতে চৰিত পুথি ৰচিত হ'বলৈ ধৰে। এই শ্ৰেণীৰ পুথি প্ৰথমতে ছন্দত ৰচিত হৈছিল। এনে ধৰণৰ গুৰুৰ গুণানুকীর্তন কৰাৰ পৰম্পৰাকে 'চৰিততোলা' প্ৰথা বা 'চৰিত চর্চা' বোলা হৈছিল। এই বিষয়ে ইতিপূর্বে আপোনাক জনাই অহা হৈছে। এইখিনিতে শিক্ষার্থীৰ জ্ঞাতার্থে জনোৱা হ'ল যে ইতিপূর্বে প্ৰথম সাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰ দ্বাদশ অধ্যায়ত চৰিত পুথিৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে বিস্তৃত আলোচনা কৰা হৈছে। গতিকে ইয়াত তাৰ উল্লেখ মাত্ৰ কৰি শিক্ষার্থীক প্ৰথম ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয়ৰ অন্তৰ্গত দ্বাদশ অধ্যায়টোত চকু ফুৰাবলৈ কোৱা হ'ল।



জানি থোৱা ভাল

গুৰু-চৰিত-কথাৰ ভূমিকাত সম্পাদক মহেশ্বৰ নেওগে কৈছে "নৈমিষাৰণ্যত সমবেত হোৱা ঋষিসকলৰ আগত সূতে *ভাগৱত পুৰাণ* বিৱৰি কোৱাৰ দৰে 'প্ৰাণ-গুৰু'ৰ দেৱ-তুল্য চৰিত্ৰত 'উন্মত' হৈ এজন বিশিষ্ট বুঢ়া ভকত আতৈয়ে এখনি সত্ৰৰ বৰবহাত বহি আন আন আতৈ-বাপুসকলৰ সমাজত সেই চৰিত্ৰ বর্ণনাইছে। তেওঁক *গুৰু-চৰিত-কথাৰ* বক্তা বুলিব পাৰি, লেখক নহয়। আতৈ গৰাকীৰ কথা-বচন অনুসৰি যিজনে বা যিসকলে পুথিখন লিখি উলিয়াইছে, তেওঁৰ বা সিসকলৰো নাম নাই। সিজন বা সিসকল নিমাত হৈ ৰৈ গৈছে। বক্তা আতৈ গৰাকী কিন্তু পুথিৰ প্ৰাৰম্ভতে আমাৰ আগত দেখা দি নোহোৱা হ'লেও সামৰণিৰ সময়ত পুনৰ ছাঁৰ দৰে আমাক দেখা দি নোহোৱা হ'লেও সকলো কথন তেওঁৰ মুখৰ বচন, সকলো বর্ণনৰ আঁৰতে যেন তেওঁ ঘাই সূত্ৰা।"

গুৰুৰ জীৱন-চর্চা এক বিশ্বজনীন প্ৰক্ৰিয়া। অসমৰ দৰে ভাৰতৰ আন আন ঠাইত, আনকি ভাৰতবর্ষৰ বাহিৰতো বিভিন্ন ধর্মগুৰুসকলৰ জীৱন-বৃত্ত সোঁৱৰণৰ এনে প্ৰয়াস দেখা যায়।

পণ্ডিতসকলে অসমীয়া চৰিত পুথিৰ লগত বুদ্ধদেৱৰ জীৱন-চৰিত, জৈনাচার্যসকলৰ জীৱন-সোঁৱৰণ তথা পশ্চিমৰ ধর্ম যাজকসকলৰ চৰিত্র-বর্ণনৰ সাদৃশ্য লক্ষ্য কৰিছে। চৰিত পুথি যদিও মূলতঃ গুৰুসকলৰ জীৱন-বৃত্তৰ চর্চা, কার্যতঃ ইয়াত কিন্তু তেওঁলোকৰ আদর্শৱান জীৱনৰ একপক্ষীয় সোঁৱৰণহে দেখা যায়। সেয়ে ইবোৰক প্রকৃত জীৱনী সাহিত্যৰ অন্তর্গত কৰা কঠিন। আলোচক গোবিন্দ প্রসাদ শর্মাই অসমীয়া চৰিত-সাহিত্যক hagiography শ্রেণীৰ ৰচনাৰ অন্তর্ভুক্ত কৰিছে।

কথা চৰিতৰ উৎসৰ সৈতে ভক্তসকলৰ চৰিত তোলা প্রথা জড়িত হৈ থকা বাবে ইয়াৰ গদ্যৰীতিত কথোপকথনৰ ঠাঁচ লক্ষ্যণীয়ভাৱে পৰিছে। আনহাতে ভক্তি-পৰম্পৰাৰ পৰা উদ্ধৃত হোৱা হেতুকে ইয়াত ভকতীয়া সুৰো দেখা যায়। গুৰুসকলৰ প্রতি থকা একনিষ্ঠ দায়বদ্ধতাৰ ভাবৰ কাৰণে ইয়াত তেওঁলোকৰ আদর্শবাদী কথাবোৰহে বেছিকৈ উল্লিখিত হৈছে। তৎস্বত্বেও ক'ব লাগিব যে এই চৰিত সাহিত্যৰ মাজেৰে অসমীয়া সামাজিক, ৰাজনৈতিক, আর্থিক আৰু সাংস্কৃতিক জীৱনৰ সুন্দৰ প্রতিচ্ছবি ফুটি উঠিছে।

মুঠতে অসমীয়া সাহিত্যৰ চুবুৰীত পদ্যগন্ধী আৰু কথাগন্ধী দুয়োবিধ চৰিত-সাহিত্যৰে এক বিশেষ স্থান আছে।



জানি থোৱা ভাল

- আমাৰ দেশৰ সত্রীয়া পৰম্পৰাত 'চৰিত তোলা' বা 'চৰিত-চর্চা' প্রথা এটি সন্ধালনিকৈ চলিছিল। সত্রসমূহত প্রচলিত হৈ থকা চৈধ্য প্রসঙ্গৰ অন্তর্গত নাম-কীর্তনৰ প্রসঙ্গৰ শেষত এগৰাকী বুঢ়া ভকতে সমবেত ভকতসকলৰ আগত গুৰুৰ জীৱন-লীলা ব্যক্ত কৰে আৰু ভকতসকলে নিষ্ঠা আৰু ভক্তিৰে সৈতে শুনে। এইদৰে গুৰুৰ জীৱন আৰু চৰিত্রৰ শ্রৱন-কথনৰ ঐতিহ্যতে চৰিত তোলা প্রথাৰ প্রচলন হয়। সত্রসমূহক উপৰি কেতিয়াবা কেতিয়াবা কোনো ভকত-সজ্জনৰ গৃহতো দহ ভকত লগ হৈ এনে চৰিত্র-প্রসঙ্গ প্রৱর্তন কৰে। ইয়াত গুৰুসকলৰ জীৱন কাহিনী কেতিয়াবা বিৱৰি কয় আৰু কেতিয়াবা পদ-চৰিতৰ লগত অংশ বিশেষ সুৰ লগাই আবৃত্তি কৰে। এনে চৰিত তোলা প্রথাত ক'ৰবাত কেতিয়াবা আঁৰ লগা যেন অনুভৱ কৰিলে আন এজনে তাক শুধৰাই দিয়ে। চৰিত পুথিৰ মতানুসৰি পোন প্রথমে মাধৱদেৱেই এনে চৰিত তোলা প্রথাৰ প্রথম আৰম্ভণি কৰে।
- এনে চৰিত তোলা প্রথাৰ লিখিত ৰূপ সাঁচিপতীয়া পুথিৰ প্রতিনিধিহে আছিল। আমি পোৱা *গুৰু-চৰিত-কথা* নামটি তেতিয়া নাছিল। সাঁচিপতীয়া পুথিৰ নকল এটি অধ্যাপক উপেন্দ্র চন্দ্র লেখাৰুৱে সম্পাদন কৰি ১৯৫২ খ্রীষ্টাব্দত ছপা কৰি উলিয়ায়। তেওঁ ইয়াৰ নাম ৰাখিছিল *কথা গুৰু চৰিত*। ইয়াৰ লেখা মাধ্যম গদ্যাশ্রয়ী

হোৱা বাবে তেওঁ ইয়াত 'কথা' শব্দটি সংযোগ কৰি দিছিল। পিছলৈ অধ্যাপক মহেশ্বৰ নেওগে ১৯৮৭ খ্ৰীষ্টাব্দত ইয়াক পুনঃ সম্পাদন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশ কৰে আৰু লেখাৰুৰ আৰ্হিতে নামটিক সামান্য সলনি কৰি *গুৰু-চৰিত-কথা* ৰূপে ৰাখে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'চৰিত তোলা' প্ৰথা বুলিলে কি বুজা যায়? (৭৫টা শব্দৰ ভিতৰত লিখক।)

৩.৪ *গুৰু-চৰিত-কথা* (১৬২ নং দফাৰ পৰা ১৯০ নং দফালৈ)

৩.৪.১ পাঠটিৰ উৎস

আপোনাক ইতিপূৰ্বে জনাইছোঁ যে আপোনাৰ পাঠ্য-বিষয়ৰ অন্তৰ্ভুক্ত 'ঠাকুৰ আতাৰ চৰিত্ৰ বংশাৱলী' অংশ মহেশ্বৰ নেওগ সম্পাদিত *গুৰু-চৰিত-কথা*ৰ ১৬২নং দফাৰ পৰা ১৯০নং দফাৰ ভিতৰৰ কথা। ঠাকুৰ আতাৰ বংশলতা আৰু চৰিত্ৰৰ কথাখিনি আৰু তাৰ সৈতে জড়িত হৈ থকা কেতবোৰ আনুষংগিক কথা আপোনাৰ পাঠ্যৰূপে নিৰ্বাচিত কৰা হৈছে।

আপোনাক এই কথাও ইয়াৰ আগেয়ে জনাই আহিছোঁ যে *কথা গুৰু চৰিত* আৰু *গুৰু-চৰিত-কথা* একে বিষয়ৰ গ্ৰন্থৰে দুটি ভিন্ন নাম। অসমৰ প্ৰধান সত্ৰসমূহত নিজা নিজা কথা চৰিত্ৰ সংৰক্ষিত হৈ আছে। ওপৰত উল্লেখ কৰা নামযুক্ত পুথি দুখনৰ মূল পাঠ বৰপেটা সত্ৰত থকা সাঁচিপতীয়া পুথিৰ পৰা লোৱা হৈছে। মহেশ্বৰ নেওগৰ মতে এই পুথিখন বাণীকান্ত কাকতিয়ে ১৯২৭ খ্ৰীষ্টাব্দ মানত বৰপেটা সত্ৰৰ সত্ৰীয়া চতুৰ্ভুজ মিশ্ৰৰ পৰা শৰণ ল'বৰ সময়ত আশিস-নিৰ্মালী ৰূপে পাইছিল। ১৯৩৮ খ্ৰীঃৰ ২০ জানুৱাৰী তাৰিখে বাণীকান্ত কাকতিয়ে পুথিখনি অসম বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগক ধাৰলৈ দিয়ে। এই চৰকাৰী বিভাগত থকা পুথিখনৰ সংখ্যা No 288 D. H. A. S. দি চিহ্নিত হৈছিল আৰু *শঙ্কৰ চৰিত* বা *শঙ্কৰ চৰিত গদ্য* নামে পঞ্জীভুক্ত হৈছিল। ১৯৪৫ চনৰ ২ জুলাই তাৰিখে তেওঁ পুনৰ এই পুথিখনি নিজৰ হাতলৈ আনে। ১৯৪৯-৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত ন কৈ প্ৰতিষ্ঠিত হাতে-লেখা পুথিভঁৰাললৈ তেওঁ এইখন দান কৰে। তেতিয়াৰে পৰা ই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পত্তি ৰূপে গণ্য হয় আৰু *গুৰু চৰিত (শঙ্কৰ)* নামে পৰিচিত হয়।

এই চৰিতখনিৰ নিজা কোনো নাম নাই। ওপৰত উল্লেখ কৰা নামবোৰ পুথিৰ পঞ্জীয়ন আৰু তালিকা-সূচীৰ বাবে চৰকাৰী বিভাগ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতে-

লেখা গ্ৰন্থাগাৰে দিয়া। অৱশ্যে পুথিখনিৰ মাজত 'গুৰুজনা লীলা চৰিত্ৰ' (দফাৰত) আৰু 'দুজনা গুৰু দুজনা ঠাকুৰদেউ নজনা আতা আৰু অনেক মহাভাগৱত চৰিত্ৰ অমৃত' বুলি লিখা আছে। দ্বিতীয়টি আখ্যা দফা-১১৩০ত উল্লিখিত (মূল সাঁচিপতীয়া পুথিত)।

এই পুথিখনিৰ প্ৰথম ছপা সংস্কৰণ কৰি উলিয়ায় অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৱে ১৯৫২ খ্ৰীঃত। বাণীকান্ত কাকতিৰ উপদেশ অনুসৰি তেওঁ এই মহৎ কাৰ্য সম্পাদন কৰে। তেওঁ ছপা পুথিখনিৰ নাম ৰাখিছে— *কথা গুৰু চৰিত*। সম্ভৱতঃ *কথা গীতা, কথা ভাগৱত* আদিৰ আৰ্হিত তেওঁ কথা সাহিত্যৰ চানেকি স্বৰূপে ইয়াৰ নাম তেনেদৰে ৰাখিছিল। এই চৰিতখনিকেই মহেশ্বৰ নেওগে পুনৰ সম্পাদনা কৰি উলিওৱাৰ প্ৰসঙ্গ-উল্লেখ এই অধ্যায়ৰ 'পৰিচয়' শিতানত আপোনাৰ সুবিধাৰ্থে আমি প্ৰথমেই অৱতাৰণা কৰি আহিছোঁ।

পুথিখনত ৰচকৰ নামোল্লেখ নাই। পুথিখনৰ বিশদ অধ্যয়নৰ পৰা ইয়াৰ বক্তাসকলৰ উমান পাব পাৰি। *গুৰু-চৰিত-কথা*ৰ সম্পাদক মহেশ্বৰ নেওগে লেখাৰু সম্পাদিত *কথা গুৰু চৰিত* আৰু তেওঁৰ সম্পাদিত গ্ৰন্থৰ মাজত পাঠৰ বিষয়ত কেতবোৰ মৌলিক পাৰ্থক্য বিচাৰি পাইছে।

অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ মতে এই পুথিখনি খ্ৰীষ্টীয় অষ্টাদশ শতিকাৰ আগভাগত, বিশেষকৈ ১৭১৬ খ্ৰীঃৰ পিছত ৰচিত হৈছে।মহেশ্বৰ নেওগে ইয়াৰ ৰচনাকাল সেই একে শতিকাৰ প্ৰথম কেইদশকতে স্থাপন কৰিব পাৰি বুলি মন্তব্য আগবঢ়াইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ চৰিত পুথিৰ উদ্ভৱ সম্বন্ধে চমুকৈ লিখক। (৭৫টা শব্দৰ ভিতৰত)

৩.৪.২ মূল পাঠৰ আভাস

আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে আগত সন্নিৱিষ্ট কৰা শাখা আৰু উপ-শাখাকেইটাৰ পৰা ইতিমধ্যে আপুনি জ্ঞাত হৈছে যে আপোনাৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট দফাকেইটিৰ কথা *গুৰু-চৰিত-কথা*ৰ পৰা নিৰ্বাচন আৰু নিৰ্ধাৰণ কৰি লোৱা। ইয়াৰ মাজেৰে ঘাইকৈ ঠাকুৰ আতাৰ চৰিত্ৰ বংশাৱলীৰ কথা বৰ্ণনা কৰা হৈছে। ইয়াত ঠাকুৰ আতাৰ পুৰুষনামা, পিতৃদত্ত নামৰ কথা, ভৱানন্দ বা নাৰায়ণদাস ঠাকুৰ আতাৰ বাল্যকাল, যৌৱনকাল, বৰভূঁইলৈ যাওঁতে লুইতত দুৰ্ঘটনা, বৰভূঁইৰ ঋণী সুকাইৰ ঋণ পৰিশোধৰ কথা, ডিংগা নগৰৰ ওচৰৰ পেহীয়েকৰ ঘৰৰ বৰ্ণনা, হালধা গ্ৰামত থকা কালৰ বিৱৰণ আদি সন্নিৱিষ্ট হৈছে। ইয়াৰউপৰি তেওঁৰ কালৰ বেহা-বেপাৰ, কড়ি খেলাৰ কথা, বিয়াৰ কথাও আছে। বিভিন্ন সময়ত নাৰেৰে চলোৱা বেহা-বেপাৰৰ কথা, ছাগলী আৰু সৰিয়হৰ

বেহাৰ বাবে তেওঁ কৰা যতনৰ বিৱৰণ আদিও এই পাঠাংশত আছে। মন কৰিবলগীয়া যে শঙ্কৰদেৱৰ সান্নিধ্য পোৱাৰ আগেয়ে ঠাকুৰ আতাই চৈতন্যপন্থ ল'বলৈ উপক্রম কৰিছিল। তাৰ পৰা তেওঁ কেনেদৰে বিৰত হৈছিল ইয়াৰ দৃষ্টান্তমূলক বিৱৰণ আপোনাৰ পাঠ্যাংশত আছে। সণ্টৰাগ্রামত ভাস্কৰ বিপ্রৰে ভবানন্দৰ সাক্ষাতৰ কথা, গুৰুজনৰ বার্তা পোৱাৰ প্রসঙ্গ উল্লেখ, ভকতৰ মুখে গুৰুজনাৰ গীত শুনাৰ কথা, হালধাৰ পৰা আহি মনথৈত গৃহাদি স্থাপন, ভৱানন্দৰ ভকত হোৱাৰ বর্ণনা আদি সৰু-বৰ বিষয়সমূহ এই পাঠ্যাংশৰ অন্তর্গত।

৩.৪.৩ বিষয়বস্তুৰ পৰিচয়

আপোনাৰ অধ্যয়নৰ বাবে নির্ধাৰণ কৰি দিয়া দফাকেইটিৰ শিৰোনাম হৈছে 'এতিয়া ঠাকুৰ আতাৰ চৰিত্র বংশাৱলী'। ইয়াত ঠাকুৰ আতা বুলি নাৰায়ণ দাস ঠাকুৰ আতাৰ কথা কোৱা হৈছে। এইজনা ঠাকুৰ আতাৰ চৰিত্র আৰু জীৱনৰ আভাস এই দফাকেইটিত দিয়া হৈছে। *গুৰু-চৰিত-কথাত* যি ন জনা গুৰুৰ কথা থকাৰ বিষয়ে কোৱা হৈছে, তাৰে এগৰাকী হ'ল এই নাৰায়ণ দাস ঠাকুৰ আতা। আপোনাৰ পাঠ্যটিত যদিও ঠাকুৰ আতাৰ চৰিত্র আৰু বংশাৱলীৰ কথা থকা বুলিহে উল্লেখ কৰা হৈছে, তাৰ মাজেৰে অজ্ঞাত চৰিতকাৰে অন্যান্য প্রাসঙ্গিক বিষয়ৰো অৱতাৰণা কৰিছে আৰু সেইবোৰৰ মাজেৰে বৈষ্ণৱ ধর্মৰ সৰল ব্যাখ্যা আগবঢ়াবলৈ প্রয়াস কৰিছে। তলত মূল পাঠৰ আধাৰত আপোনাৰ জ্ঞাতার্থে ঠাকুৰ আতাৰ চৰিত্র, বংশাৱলী আৰু জীৱনৰ বিষয়ে উল্লেখ কৰা হ'ল।

প্রথম অৱস্থাত ঈশ্বৰ হৰিয়ে অৱতাৰ ধাৰণ কৰি হিৰণ্যকশিপুক বধ কৰিলে আৰু পৃথিৱীক উদ্ধাৰ কৰি তেওঁ ৰজস্বলা অৱস্থাত হৰিয়ে শৃঙ্গাৰ কৰিলে। এই ৰমণৰ পৰিণতিত নৰকৰ জন্ম হ'ল। নৰকৰ পুত্র ভগদত্ত, ভগদত্তৰ পুত্র সিষিৰ, এওঁৰ অর্থাৎ সিষিৰৰ পুত্র হ'ল ঋষিৰ, এওঁৰ সন্তান সুপার্শ্ব, সুপার্শ্বৰ পুত্র সুবাহু, তেওঁৰ পুত্র মিহিৰ, মিহিৰৰ সন্তান শশধৰ, শশধৰৰ পুত্র জলধৰ, এওঁৰ সন্তান হ'ল ৰূপধৰ, ৰূপধৰৰ সন্তান সগৰ আৰু সগৰৰ পুত্রৰ নাম ধৰম। সেই ধৰমৰ সন্তান ভবানন্দ। এইটো এওঁৰ পিতৃদত্ত নাম, বৈষ্ণৱী নাম হ'ল নাৰায়ণ দাস ঠাকুৰ আতা। আতাৰ চাৰিজন পুত্র। তেওঁলোক হ'ল ধর্মানন্দ, জগতানন্দ, শিয়ানন্দ আৰু ৰামাই ঠাকুৰ।

গুৱাহাটীৰ উত্তৰপাৰে দুই পর্বতৰমাজত থকা মালৌ নামে ঠাইত ঠাকুৰ আতাৰ জন্ম হৈছিল। পাঁচ বছৰ বয়সৰ পৰা তেওঁ সমনীয়া শিশুসকলৰ সৈতে গৰু চৰাইছিল। লগৰীয়াসকলৰ লগত গৰু চৰাওঁতে ঢোপ, ভণ্টা, ঘিলা, চোৰ, ডুগ, যুৱাৰ পাঁচ, ইত্যাদি খেলা খেলিছিল। ইয়াৰ উপৰি লগৰীয়া-সমনীয়াসকলৰ মাজতে কোনোবাই গোপী, কোনোবাই কৃষ্ণ হৈ বৃন্দাবনত কৰা ৰং-ধেমালিবোৰ কৰিছিল। খেল-ধেমালিৰ মাজতে বালকসুলভ কথাৰ কটাকটি কৰিছিল আৰু শাক-মাছৰ ব্যঞ্জন কেনেদৰে খালে ভাল সেই বিষয়বোৰকলৈও নিজ নিজ যুক্তি দাঙি ধৰিছিল। এনেদৰে বাল্যকাল অতিবাহিত

কৰি ঠাকুৰ আতাই সোতৰ বছৰ বয়সত ভৰি দিলে। তেওঁৰ পিতৃ বিয়োগ হ'ল। পিতৃৰ প্ৰেতকৰ্ম সমাপন কৰি দাস-দাসী, গৰু-ম'হ সমন্বিতে এটি আঢ্যৱন্তৰ ৰূপ লৈ দায়িত্ব কান্ধ পাতি ল'লে। গুৱাহাটীত ঠাকুৰ আতাৰ পিতাকে একুৰি ৰূপ ধাৰলৈ দিছিল। উক্ত টকা আদায়ৰ কাৰণে ঠাকুৰ আতা মাজে-সময়ে গুৱাহাটীলৈ আহি থাকে। বছৰি বানপানীয়ে মালৌত খেতি-পথাৰত অনিষ্ট সাধে বাবে তেওঁ গুৱাহাটীলৈ আহিবলৈ মনস্থ কৰিলে।

তেনেদৰে ভাবিলেও আহিব বুলিয়েই অহাটো সহজসাধ্য নহয়। মানুহক দেখুৱাই যাবলৈ হ'লেও ৰাইজখনে এৰিব নুখুজিব। তেওঁৰ চহকী গৃহস্থী। তথাপিও, খুৱায়েক চতন আতৈৰ সৈতে দিহা কৰি গৰু আৰু গৃহস্থালিৰ সামান্য সামগ্ৰী, ইত্যাদি নাৱত বোজাই দি ভৰ বাৰিষা নিশা ভাগত গুৱাহাটীলৈ বুলি যাত্ৰা কৰিলে। লগত খুৱায়েক চতন আতৈ। ভাদমহীয়া ব্ৰহ্মপুত্ৰৰ পানীত আতাৰ নাও ডুবি সকলো উটি-ভাঁহি গ'ল। মুহূর্ততে এই ঘটনা ঘটিল। দৈৱক্ৰমে আতৈ আৰু ঠাকুৰ আতাৰ জীৱন ৰক্ষা পৰিল। এনেদৰে তেওঁলোক মৃত্যুমুখৰ পৰা উভটি আহিল। তেওঁলোকৰ গাত এখন বস্ত্ৰও নাই, সকলো পানীত ভাঁহি গ'ল। এনাভি পানীৰ তলত পৰি থকা অৱস্থাত এজনী বুঢ়ীয়ে তেওঁলোকক দেখিলে আৰু সকলো বৃত্তান্ত জানি নিজৰ ওপৰত লোৱা কাপোৰখনকে দুভাগ কৰি তেওঁলোকলৈ দলিয়াই দিলে। সেই কাপোৰ পিন্ধি বুঢ়ীৰ পৰা গাঁৱৰ নাম, ঠাকুৰ আতাৰ পিতাকৰ পৰা টকা ধাৰলৈ নিয়া সুকাই নামৰ লোকজনৰ কথা সকলো জানি ল'লে। সুকাইক লগ পোৱাত তেওঁ কুৰি টকাতো ওভোটাই বিচাৰিলে। কিন্তু তেওঁ দিবলৈ অপাৰগ। ৰূপ দিয়াটো দূৰৈৰে কথা, কথাটো ভাবি আতাই দুসাজ কাপোৰ আৰু দুসন্ধ্যা ভোজন কৰাই আশ্ৰয় দিয়াবৰ বাবে সুকাইক প্ৰস্তাৱ দিলে। গাঁৱৰ মানুহেও তাকে কোৱাত সুকাইয়ে আতা আৰু চতন আতৈক ঘৰলৈ লৈ গ'ল। সিদিনাখন এনেদৰে সুকাইৰ ঘৰত অন্ন-বস্ত্ৰৰ ব্যৱস্থা কৰি দুয়োজনা ডিংগানগৰৰ কাষত থকা পেহীয়েকৰ ঘৰত উঠিলগৈ। কিন্তু নিশাটো কটোৱাৰ পিছতে পেহীয়েকে চুবুৰীয়াৰ ওচৰত দুগুণ ৰটা বাবে 'ইয়াত নাথাকোঁ' বুলি গুচি আহিল। ইয়াৰ পিছত ডিঙ্গানগৰৰ উত্তৰে থকা হালধা গাঁৱত এঘৰ কলিতা মানুহৰ ঘৰত তেওঁলোক থাকিলগৈ। ইয়াৰ ওচৰতে নৰলা হাট। এই হাটতেই এজনী বুঢ়ী মানুহৰ জৰিয়তে পানৰ বেহা আৰম্ভ কৰিলে। এয়া ঠাকুৰ আতাৰ ব্যৱসায়িক জীৱনৰ আৰম্ভণি। কেতিয়াবা কেতিয়াবা তেওঁ কড়ি খেলিও টকা-পইচা আৰ্জন কৰিছিল। এনে সময়তেই খুৱাকে তেওঁলৈ বিয়াৰ বাবে কন্যা বিচৰাৰ প্ৰস্তাৱ দিলে। ঠাকুৰ আতাই এই প্ৰস্তাৱৰ বিপৰীতে ওলোটাই খুৱাককহে বিয়া কৰাবলৈ কয়। চতন আতৈৰ বিয়া সম্পন্ন হয়।

এই ঠাইতে ঠাকুৰ আতাই ভৱানন্দ বোলা আন এজনএকে নামৰমানুহৰ সৈতে সখি পতাই ছাগলীৰ বেপাৰ কৰিলে। কিন্তু ছাগলীৰ বিষয়টোক লৈ তেওঁৰ আৰু সখীয়েকৰ মাজত এখন খৰিয়াল লাগিল।

ইয়াৰ পিছত এই ডিঙ্গা নগৰতেই কেইজনমান লগৰীয়াৰ সৈতে নাৰেৰে বেহা কৰিবলৈ ল'লে। এই বেপাৰৰ কালত তেওঁৰ বিভিন্ন অভিজ্ঞতা হ'ল। টকা-পইচা অলপ সৰহ হোৱা বাবে আতাই নামানগৰলৈ গৈ মাটি কিনি ঘৰ সাজিলে আৰু এইবেলি সৰিয়হৰ ব্যৱসায় আৰম্ভ কৰিলে। সৰিয়হৰ ব্যৱসায় কৰোঁতে এদিন লুইতৰ পাৰত সণ্ঢৰা গাঁৱৰ ঘাটত সন্ধ্যা তর্পণ কৰি থাকোঁতে ভাস্কৰ গুৰুক লগ পালে। এইয়া ভাস্কৰ গুৰুৱে 'ধুৱাহটা গ্ৰামে শ্ৰীশঙ্কৰদেৱ নামে পুন্নে ঈশ্বৰ অৱতাৰৰ' সন্ধান দিলে। চুন পৰা ভেটিত গুৰু শঙ্কৰদেৱৰ সৈতে সাক্ষাৎ হ'ল আৰু তেওঁক সেৱা জনালে। গুৰুজনাৰ পদপঙ্কজত আতাৰ শিৰৰ চাটি পৰাত নাৰায়ণ নাম লৈ তেওঁক ক'ৰ পৰা আহিল সুধিলে। ঠাকুৰ আতাই হালধা গাঁৱৰ পৰা অহা বুলি উত্তৰ দিলে। তেতিয়া শঙ্কৰগুৰুৱে এই বুলি ক'লে— "তোমাক দেখি চাৰি বেদৰ সাৰ চাৰি বস্তুৱে পৰম মঙ্গল নাৰায়ণ নাম উচ্চাৰিত হ'ল।" এতেকে তেওঁৰ নাম সিদিনাৰ পৰা নাৰায়ণ দাস বুলি জনাজাত হ'ল। এনেদৰে প্ৰথম দেখাতে শঙ্কৰদেৱৰ আশিষধন্য হৈ ভৱানন্দ নাম গুচি নাৰায়ণ দাস হ'ল।

মহাপুৰুষ জনাই মাধৱদেৱৰ লগত নাৰায়ণ দাসক সখি বন্ধাই দিয়াৰ প্ৰতিশ্ৰুতি দিলে। মাধৱদেৱৰ লগত ঠাকুৰ আতাৰ দেখা দেখি হোৱাৰ পিছত সম্পৰ্ক দৃঢ় হ'ল। মাতৃৰ কৰ্মৰ বাবে মাধৱদেৱে কৰা প্ৰস্তুতিত আতাই সহায়ৰ হাতো আগবঢ়ালে। এনেদৰে আতা আৰু আতাৰ লগৰীয়া ছয়জন লোকেই ভকত হ'ল। আতাই বৈষ্ণৱ ধৰ্মৰ জ্ঞান সকলোকে দিলে— দাস-দাসী, পুত্ৰ-পত্নী সকলোকে গুৰুজনাৰ ঠাইলৈও লৈ গ'ল। মহাপুৰুষ গুৰুজনাইও সকলোকে নীতি-সদাচাৰৰ পথ দেখুৱাই দিলে। ঠাকুৰ আতাই হালধাৰ পৰা আহি মনথৈ নামে ঠাইত ঘৰ-বাৰী কৰিলেহি। এই মনথৈৰ পৰাই গুৰু ঠাইলৈ অহা-যোৱা কৰি ধৰ্মকাৰ্য চলাই আছে। এনেদৰে এদিনাখন মনদিয়া হাটৰ এজোপা আহঁতৰ তলত দেৱী পূজাৰ নামত দ্ৰব্য-সামগ্ৰী আৰু দেহৰ সামগ্ৰীৰে সৰ্বস্বান্ত হোৱা লোকৰ ভ্ৰম দূৰ কৰি শঙ্কৰপুৰুষৰ বার্তাজ্ঞান দিলে। সেইজনেই গোবিন্দ গৰমলি। পিছলৈ জন্তিৰ মধাই, বলোৰাম আতৈ, শ্ৰীৰাম আতাকো ধৰ্ম ধৰাত সহায় কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্গত *গুৰু-চৰিত-কথা*ৰ নিৰ্বাচিত পাঠ্যাংশৰ মূল বিষয়বস্তু সম্পৰ্কে এটি নীতিদীৰ্ঘ টোকা প্ৰস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

৩.৪.৪ নাৰায়ণ দাস ঠাকুৰ আতাৰ চাৰিত্ৰিক বৈশিষ্ট্য

আপুনি ইয়াৰ আগৰ উপশাখাকেইটা অধ্যয়ন কৰাৰ পাছত এই কথা নিশ্চয়কৈ জানিব পাৰিছে যে শঙ্কৰদেৱৰ সৈতে হোৱা সাক্ষাতৰপিছত ঠাকুৰ আতাই নিবৃত্তি মাৰ্গত

দীক্ষা লোৱা দিনৰ পৰা বৈষ্ণৱ ধৰ্মৰ প্ৰতি তেওঁ অগাধ আস্থা প্ৰকাশ কৰিছিল। গুৰু দুজনাৰ উপৰি যিসকল লোকে বৈষ্ণৱ ধৰ্মৰ প্ৰতি পৰাকাষ্ঠা প্ৰদৰ্শন কৰি সমগ্ৰ ৰাজ্যত একশৰণ তত্ত্ব প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিছিল, সেইসকলৰ ভিতৰত ঠাকুৰ আতা আছিল অন্যতম। শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্মীয় পৰম্পৰাত, পৰৱৰ্তী সময়ত যিকেইগৰাকী 'আতা আৰু মহন্ত আচাৰ্য্য'ৰ সতকাই উল্লিখিত হৈছিল, সেই কেইগৰাকীৰ ভিতৰত ঠাকুৰ আতাৰ চৰিত্ৰ আছিল কিঞ্চিৎ ভিন্ন আৰু ব্যতিক্ৰমী। তেওঁৰ জীৱনৰ কেতবোৰ ঘটনাই এই কথাৰ প্ৰমাণ দাঙি ধৰিব। 1495 চনত উত্তৰ গুৱাহাটীৰ মালৌ নামে ঠাইত আতাৰ জন্ম হৈছিল। ঠাকুৰ আতাৰ শিশুকাল বৰ ৰং-ধেমালিৰ মাজেৰে অতিবাহিত হৈছিল। মালৌ নামে ঠাইত থকা এই কালছোৱাত ঠাকুৰ আতাৰ নিজকে গঢ় দিয়াৰ প্ৰস্তুতি চলিছিল। লগ-সমনীয়াৰ মাজত তেওঁ নেতা স্বৰূপ আছিল। শিশুসকলৰ মাজত চলা কথাৰ কটা-কটিৰ মাজত তেওঁ শেষ সিদ্ধান্ত আগবঢ়াইছিল। উদাহৰণস্বৰূপে শিশুসকলৰ মাজত যেতিয়া কোনবিধ মাছৰ সৈতে কোনবিধ পাচলি বা শাকৰ ব্যঞ্জন সুস্বাদু হয়, তেতিয়া সকলোৱে নিজ নিজ পছন্দৰ কথা কৈছিল। শেষত ঠাকুৰ আতাই তৰ্কৰ অৱসান ঘটাই খলিহনা-সৰিয়হৰ ব্যঞ্জনৰ জুতিৰ কথা কৈ সকলোৰে মুখ বন্ধ কৰিছিল।

ঠাকুৰ আতা ষোল্ল বছৰ বয়সৰে পৰা সংসাৰৰ প্ৰতি দায়বদ্ধ হৈছিল। পিতৃ-বিয়োগৰ পিছত কৃষি-কাৰ্যত মনোনিৱেশ কৰি পৰিকল্পিত আৰু উপযোগী বাসস্থানৰ বাবে গুৱাহাটীলৈ গুচি আহিছিল। গুৱাহাটীত ঠাকুৰ আতাৰ দেউতাকে একুৰি টকা সুদৰ বিনিময়ত এজন লোকক দিছিল। উক্ত সুদৰ টকা আদায়ৰ সূত্ৰে গুৱাহাটীলৈ অহা-যোৱা কৰোঁতে তেওঁ এই ঠাইৰ বাসোপযোগিতাৰ উমান পাইছিল। এই কথাই তেওঁক সাংসাৰিক জীৱনৰ প্ৰতি থকা অভিজ্ঞতা আৰু দূৰদৰ্শিতাৰ প্ৰমাণ দিয়ে।

ঠাকুৰ আতা স্থৈর্য, ধৈর্য আৰু শক্তিৰ এক আদৰ্শ প্ৰতীক আছিল। ভৰা লুইতত তেওঁৰ সা-সম্পত্তি ভৰা নাও ডুবাৰ পিছত, তেওঁ যৎকিঞ্চিতো বিচলিত হোৱা নাছিল। বৰং এনাভি পানীত বিবস্ত্ৰ হৈ থাকিও বুঢ়ী মানুহ এগৰাকীৰ পৰা উত্তৰীয় এখন খুজি, তাক পৰিধান কৰি খুৰাক চতনৰ সৈতে আকৌ ভৱিষ্যৎ কামৰ বাবে নিজকে সাজু কৰিছিল। এই বিপদৰ পৰা ৰক্ষা পৰাৰ পিছত তেওঁৰ দেউতাকৰ পৰা সুদলৈ টকা ধাৰে লোৱা সুকাইক টকা ওভোটাই দিবলৈ ধৰিছিল। কিন্তু অষ্টম দৰিদ্ৰ সুকাই বোলা লোকজনে কুৰি টকাতো দূৰৈৰে কথা পাঁচ টকা দিবলৈকো অসমৰ্থ বুলি কোৱাত— "তাকো এৰিলো ঃ এজুৰি লোটা বাটি টউ দে ঃ দুইক দুসাজি কাপৰ দে ঃ দুসন্ধ্যা ভোজন কৰাই পাৰকৈ থকঃ" বুলি তাৰ ঋণৰ বোজা কমাই দিছিল। এয়া ঠাকুৰ আতাৰ মানৱীয় উদাৰ চৰিত্ৰৰ চিন।

ঠাকুৰ আতা কেৱলীয়া আৰু সর্বস্বান্ত স্বভাৱৰ লোক নাছিল। তেওঁৰ বিষয়-বৈভৱৰ প্ৰতি থকা আস্থা, ধন আৰ্জনৰ বাবে থকা প্ৰযত্ন আৰু কৃষিকৰ্ম তথা বেহা-

বনিজৰ প্ৰতি থকা ধাউতি আৰু আসক্তিয়ে ইয়াৰ প্ৰমাণ। সাংসাৰিক বন্ধন আৰু জীৱন-জীৱিকাৰ বাবে কৰা কৰ্ম-প্ৰকৰণৰ সমান্তৰালভাৱে বৈষ্ণৱ ধৰ্মৰ তত্ত্বক হৃদয়ঙ্গম কৰি প্ৰকৃত বৈষ্ণৱী হোৱাতে নাৰায়ণ দাস ঠাকুৰ আতাৰজীৱনৰ সাৰ্থকতা, শঙ্কৰদেৱৰ সৈতে সাক্ষাৎ গ্ৰহণ কৰাৰ আগেয়ে তেওঁ আছিল এজন কৃষক আৰু বনিজকাৰ। শঙ্কৰদেৱৰ সৈতে মিলন হোৱাৰ পিছত আৰু মাধৱদেৱৰ সৈতে সখিত্বৰ বান্ধোনেৰে বান্ধ খোৱাৰ অন্ততো তেওঁ সংসাৰ কৰ্মৰ প্ৰতি কোনো নিৰ্লিপ্ততা দেখুওৱা নাছিল। বৰং গৃহ বন্ধনৰ মাজত থাকিও ধৰ্ম বন্ধনৰ জৰীডালক সুদৃঢ়ভাৱে ধাৰণ কৰাৰ উদাহৰণহে দাঙি ধৰিছিল।

বেহা-বেপাৰ আৰু অন্যান্য ঘৰ-ঘৰোৱাহ চলোৱাত তেওঁ বৰ বুধিয়ক আছিল। পাণৰ বেপাৰ, ছাগলীৰ বেপাৰ আৰু নাৱেৰে কৰা বেপাৰত তেওঁ লাভ-লোকচানৰ দিশটোৰ প্ৰতি সচেতন আছিল। হালধা গাঁৱত থকা অৱস্থাত বুঢ়ী মানুহগৰাকীৰ পাণ গুচি ভাঙি তিলমাত্ৰে বিক্ৰী কৰি তাইক আচৰিত কৰিছিল। বুঢ়ীৰে গুচি ভাঙি বিক্ৰী নকৰে বাবে সহজতে বিক্ৰী নহয়। ইয়াৰ উত্তৰ এজন বুধিয়ক বেপাৰীৰ নিচিনাগৈ আতাই এইদৰে দিছিল— "তহঁতে গুচি ভাঙ্গি নিদিয়া ঃ তাৰ নাই কৰি ঃ ভাঙ্গি দিলো নিলে" বুঢ়ীয়ে আতাৰ বুধিক শলাগি এই বুলি কৈছিল— "বাপু বুঢ়া হলোকে পাণ বেচি এনে বুদ্ধি নজানোনে?"

আতাৰ সান্নিধ্যলৈ অহা সকলোৱে তেওঁৰ ব্যক্তিত্বত মুগ্ধ হৈছিল। ওপৰত উল্লেখ কৰা বুঢ়ীজনীয়ে আতাক আশ্ৰয় দিওঁতে সৰ্বস্বান্ত আতাক ভোজন-সম্ভাৰাদি দিবলগীয়া হৈছিল। কিন্তু তেওঁ প্ৰমাণ পাইছিল যে এনেদৰে এজন দিব্য পুৰুষক খাদ্য সম্ভাৰ দি বুঢ়ী খৰচান্ত হ'লেও তেওঁ কিন্তু সান্নিধ্য ধন্য হ'ল। এয়াই আছিল সাধাৰণজনৰ ওচৰত আতাৰ ভাৱমূৰ্তি।

আতা বৰ অভিমানী আৰু আৱেগিক লোক আছিল। তেওঁ সকলো কথা আত্মাভিমান আৰু যুক্তিনিষ্ঠতাৰেও বিচাৰ কৰিছিল। নাও বুৰি সৰ্বস্বান্ত হোৱাৰ পিছত ডিঙ্গানগৰৰ ওচৰৰ পেহীয়েকৰ ঘৰত আশ্ৰয় লৈ থাকোঁতে পেহীয়েকে ঘাটৰ পাৰত বেলেগৰ লগত কৰা কথা-বতৰাত তেওঁৰ আৰু চতন আতৈৰ সম্পৰ্কে কৰা মন্তব্য শুনি তৎকালে সেই ঠাই পৰিত্যাগ কৰিছিল।

ঠাকুৰ আতাৰ জীৱন বিচিত্ৰ আছিল। এটা সময়ত তেওঁ অৰ্থ উপাৰ্জনৰ অৰ্থে কঁড়ি খেলৰ নিচিনা জুৱাৰ প্ৰতিও আসক্ত হৈছিল। আপোনাৰ পাঠ্যাংশত ইয়াৰ মনোৰম আৰু যথাযথ বৰ্ণনা আছে। কেতিয়াবা আতাই জিকে, কেতিয়াবা হাৰে। এদিনাখন জিকা ভালেখিনি ধন লৈ আহি কিন্তু জুৰা খেলাৰ অনুশোচনাতে খুৰায়েকক এইদৰে ক'লে— "খুৰা ই বৃত্তি সজ নহই মিচা হোচা দন্দবাদ হতাহতি কতঃ নগলেও নেৰে সজালৰ জিকি আনিছো। কালৈ তুমি গৈ ভাবি হুকি দি লাঠিৰ হনা মাৰি কৰিচলা কাঢ়ি লৈ আহিবা এতেকে নুৰাৰে আৰু।"

খুৰায়েকক এনেদৰে নিজক আৰু দহকো কঁড়ি খেলৰ পৰা নিবৃত্ত কৰিবলৈ অনুৰোধৰ মাজেদি ঠাকুত আতাৰ জীৱন সম্বন্ধে থকা ৰুচিবোধৰ চানেকি ফুটি উঠিছে।

খুৰাক চতন আতৈয়ে আতাক বিবাহযোগ্য হোৱা বুলি ভাবি বিয়াৰ প্ৰস্তাৱ দিওঁতে আতাই ওলোটাই খুৰাককহে বিয়া কৰাবলৈ পৰামৰ্শ দিছিল। এই ক্ষেত্ৰত তেওঁৰ যুক্তি আছিল অকাত্য আৰু জীৱন-অভিজ্ঞতালব্ধ। তেওঁ কৈছিলে যে খুৰাকে বিয়া কৰালে আতাই খুৰীয়েকৰ পৰা সকলো খুজি ল'বলৈ ভাল হ'ব, কিন্তু আতাই বিয়া কৰালে ভতিজা বোৱাৰীয়েকৰ পৰা 'খোজামেলা' কৰাত আহুকাল হ'ব। এনেবোৰ সৰু-সুৰা ঘটনা ঠাকুৰ আতাৰ ব্যতিক্ৰমী আৰু অনন্য চৰিত্ৰৰ উদাহৰণ। ঠাকুৰ আতাৰ জীৱনৰ প্ৰথম স্তৰটিক যদি বিষয়-বৈভৱৰ প্ৰতি অনুৰক্তিৰ কাল বুলি ধৰা হয়, শঙ্কৰদেৱৰ সৈতে হোৱা সাক্ষাতক অৰ্থাৎ দ্বিতীয় স্তৰটিক ধৰ্ম জীৱনৰ পৰাকাষ্ঠা প্ৰদৰ্শনৰ কাল বুলি অভিহিত কৰিব পাৰি। আপোনাৰ পাঠ্যাংশৰ পৰা আপুনি জানিব পাৰিব যে স্বচিন্তা আৰু স্বধৰ্মৰ গুণত আতাই নিজকে চৈতন্য পন্থা গ্ৰহণৰ পৰা নিবৃত্ত কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ নিজৰ ইচ্ছা শক্তিৰ বলতে জানিছিল যে তেওঁ "মহাবিশিষ্ট সম্পূৰ্ণ গুৰু অচিৰ কালে" পাব। সেয়ে এনে চিন্তাকে অঙ্কুশ হিচাপে ব্যৱহাৰ কৰি তেওঁৰ মনক মত্ত আৰু বিচলিত নকৰিছিল।

ভাস্কৰ গুৰুৰ উদ্যোগত ঠাকুৰ আতা গুৰুজনা চূণপোৰাত থকা কালত শঙ্কৰদেৱৰ সান্নিধ্যলৈ আহিছিল। আতাৰ ব্যক্তিত্বৰ বাবেই শঙ্কৰদেৱ তেওঁৰ প্ৰতি মুগ্ধ আৰু আকৰ্ষিত হৈছিল। শঙ্কৰদেৱৰওচৰত সেৱা লওঁতে গুৰুজনাৰ পদ পঙ্কজত আতাৰ শিৰৰ চাটি পৰাত গুৰুজনাই 'নাৰায়ণ' নাম উচ্চাৰি তেওঁৰ সবিশেষ সুধিছিল। আতাই সকলো বিৱৰি কোৱাত "তোমাক দেখি চাৰি বেদৰ সাৰ চাৰি বস্তুও পৰম নাৰায়ণ নাম উচাৰ হ'ল।" সেয়ে তেওঁক গুৰুজনাই নাম দিলে নাৰায়ণ দাস। সেই নামেই ঠাকুৰ আতা বিখ্যাত হ'ল। এনে নামকৰণ বা গুৰুৰ প্ৰসাদ লাভৰ ঘটনা কাকতালীয় যেন লাগিলেও ইয়াৰ মাজেদিয়েই আতাৰ চাৰিত্ৰিক মোহনীয়তা আৰু আকৰ্ষণীয়তাৰ প্ৰতিচ্ছবি ফুটি উঠিছে।

প্ৰৱল ব্যক্তিত্বৰ বাবেই আতাই মাধৱপুৰুষৰ সৈতে সখিত্বৰ বান্ধোনত বান্ধ খাব পাৰিছিল। ধৰ্মবস্তু গ্ৰহণ কৰি তেওঁ একনিষ্ঠভাৱে ইয়াক জগৎ প্ৰসাৰী কৰিবলৈ দেহে-কেহে লাগিছিল। তেওঁ শঙ্কৰ গুৰুক চকিয়া মাজি, পীতাম্বৰ কবি আৰু জন্তিৰ মধাইৰ বিষয়ে বিশদভাৱে জনাইছিল। নাৰায়ণ দাস ঠাকুৰ আতাক শঙ্কৰদেৱে পীতাম্বৰৰ বিষয়ে সোধাত নাৰায়ণ দাসে পীতাম্বৰৰ কবিতা গাই শুনাইছিল।

বিলাপ কৰিয়া কান্দে দেৱী ৰুক্মিনী।
কোনে অঙ্গে খুন দেখি নাইলা যদুমনি।।

পদফাঁকি শুনি শঙ্কৰদেৱে "কামবশ্য সিটো জন" বুলি তেওঁৰ কথা নুশুনো বুলিছিল। ঠাকুৰ আতাই ভালেমান লোকক শঙ্কৰদেৱৰ ওচৰত শৰণ দিওৱাৰ কথা

আপুনি আগতে পাই আহিছে। গুৰু এবাৰ নিগৃহীত হ'বলগীয়াও হৈছিল। নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱক ধৰিবলৈ গৰমলি পঠাওঁতে, মহাপুৰুষজনাই আত্মগোপন কৰি আছিল। গৰমলিয়ে তেওঁক নোপোৱাত গোকুলচান্দ বোলা এজনৰ লগতে ঠাকুৰ আতাক ধৰি লৈ গৈছিল আৰু শাস্তি দি ভোটত বেচিছিল। কিন্তু সকলো বিপদৰ পৰা তেওঁলোকে নাম-ধৰ্মৰ মাহাত্ম্য আৰু প্ৰৱল গুৰুভক্তিৰ বাবে নিস্তাৰ পাইছিল।

নাৰায়ণ দাস ঠাকুৰ আতাৰ উদ্যোগতে গোবিন্দ গৰমলিয়ে শঙ্কৰদেৱৰ ওচৰত সেৱা জনাইছিল। শঙ্কৰদেৱে গোবিন্দৰ সকলো কথা জানি কোনেনো তেওঁক এনেদৰে পঠালে জানিবলৈ সুধিলে। গোবিন্দই প্ৰকৃত কথা কোৱাত শঙ্কৰদেৱে আনন্দত উৎফুল্লিত হৈ পত্নীক এই বুলি কৈছিল— "মোৰ ভক্ত থাকে জত উদাৰ চৰিত্ৰ। কীট-পতঙ্গকো তথা কৰয় পৰিত্ৰ। এ উলুৱনিতো পদ্ম ফুলিছেহি।" সঁচাকৈয়ে নাৰায়ণ দাস আছিল শঙ্কৰ গুৰুৰ আশিষধন্য শিষ্য।

শঙ্কৰদেৱৰ তিৰোভাৱৰ পিছতো ঠাকুৰ আতাই ভক্তিধৰ্ম প্ৰচাৰত সখিয়েক মাধৱদেৱক সহায় কৰিছিল। সংসাৰ কৰ্ম আৰু বৈষ্ণৱ ধৰ্মৰ আৱেষ্টনীৰ ফাঁকে ফাঁকে তেওঁ সাহিত্য চৰ্চাও কৰিছিল। ভকতীয়া ফকৰা আৰু কেইটিমান গীতৰ বাবে তেওঁৰ স্থান মনত ৰাখিব লগীয়া। 'জয় জয় অনাদি শঙ্কৰ' নামৰ গীতটি তেওঁ গুৰু দুজনা আৰু জন্তিৰ মধাইৰ সৈতে লুইতেৰে ভটিয়াই গৈ থাকোঁতে ৰচনা কৰা বুলি *গুৰু-চৰিত-কথাত* আছে। গীতটি শুনি 'নাৰায়ণ দাসৰ কবিতা নাঞ চপচপীয়া হ'ল' বুলি শঙ্কৰদেৱে তেওঁক ভূঁইয়সি প্ৰশংসা কৰিছিল।

আলোচ্য পাঠ্যাংশৰ মাজেৰে নাৰায়ণ দাস ঠাকুৰ আতাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰাজি এনেদৰে প্ৰকাশ পাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *গুৰু-চৰিত-কথাত* উল্লিখিত নাৰায়ণ দাস ঠাকুৰ আতাৰ ব্যক্তিত্বৰ সম্বন্ধে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

৩.৪.৫ *গুৰু-চৰিত-কথাৰ* গদ্যৰীতি

অসমীয়া গদ্য সাহিত্যৰ ইতিহাস পু�ৰণি। অৱশ্যে বিশ্ব সাহিত্যৰ অন্যান্য দেশৰ দৰে অসমীয়া সাহিত্যতো গদ্যৰ আৰম্ভণি পদ্যতকৈ পিছত। আপুনি জানে যে অসমীয়া সাহিত্যত বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্য, অৰ্থাৎ ভট্টদেৱক অসমীয়া গদ্যৰ পিতৃ আখ্যা দিয়া হৈছে। তেওঁ শঙ্কৰদেৱৰ অব্যৱহিত সময়ৰ পাছতে গুৰু দামোদৰদেৱৰ আজ্ঞা শিৰোধাৰ্য কৰি *কথা ভাগৱত* আৰু *কথা গীতা* ৰচনা কৰি অসমীয়া সাহিত্যত পোন প্ৰথমবাৰৰ বাবে গদ্য সৃষ্টিৰ নিদৰ্শন দাঙি ধৰে। অৱশ্যে ইয়াৰ আগেয়ে মহাপুৰুষ

শঙ্কৰদেৱৰ অঙ্কীয়া নাটত নাটকীয় গদ্য নামৰ এবিধ গদ্যৰ ব্যৱহাৰ কৰা হৈছিল। কিন্তু সেই গদ্য আছিল পদ্যগন্ধী, কৃত্রিম আৰু লয়যুক্ত। সেয়েহে, মধ্যযুগত ভট্টদেৱৰ হাতত খ্ৰীষ্টীয় 16শ শতিকাত ভাগৱতৰ গদ্যানুবাদত ব্যৱহাৰ কৰা মাধ্যম ৰূপেই আছিল প্ৰথম গদ্যৰ ব্যৱহাৰ। ইয়াৰ পিছত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জীবোৰত আৰু আনহাতে সত্ৰীয়া পৰিৱেশত ৰচিত চৰিত পুথিত অসমীয়া গদ্যৰ বিশেষ বিকাশ আৰু সমৃদ্ধি ঘটে। এনেগদ্যৰ বিশেষ উদাহৰণ হ'ল *গুৰু-চৰিত-কথাৰ* গদ্য। *গুৰু-চৰিত-কথাৰ* গদ্য-ৰীতিৰ আলোচনাত চৰিত-সাহিত্যৰ উদ্ভৱৰ পটভূমিকাৰ এক বিশেষ তাৎপর্য আছে। আপোনাক আগেয়ে এই কথা জনাইছোঁ যে, *গুৰু-চৰিত-কথাৰ* উদ্ভৱৰ উৎস চৰিত তোলা প্ৰথা। মহাপুৰুষ দুজনাকে ধৰি অন্যান্য ধর্মগুৰুসকলৰ গুণানুকীর্তন কৰি চৰিত্ৰ বর্ণনা কৰাটোৱেই হ'ল চৰিত-পুথিৰ অন্যতম উদ্দেশ্য। সেয়ে চৰিত পুথিৰ ভাষা ওপৰত উল্লেখ কৰা ভট্টদেৱৰ গদ্য আৰু ৰজাঘৰীয়া বুৰঞ্জী সাহিত্যৰ পৰা ভালেখিনি পৃথক। *গুৰু-চৰিত-কথাতে* সমসাময়িক অসমৰ সমাজ-সংস্কৃতিৰ জীৱনৰ এক সামগ্ৰিক ছবি প্ৰতিফলিত হৈছে। সেয়ে ইয়াত বর্ণনীয় বিষয়ক ধর্মপ্ৰাণ ৰাইজৰ হৃদয়গ্ৰাহী কৰি তুলিবলৈ প্ৰয়াস কৰিছিল। এক ঘৰুৱা কথ্য-ৰীতি ব্যৱহাৰ কৰিছে। সেই হেতুকে চৰিতৰ গদ্যৰীতি ভট্টদেৱৰ সংস্কৃতীয়া গদ্য শৈলী আৰু বুৰঞ্জীৰ গদ্যৰ ঐতিহাসিক ঠাঁচৰ পৰা বিমুক্ত হৈছে। ইতিমধ্যে আপোনাক এই কথা জনাই অহা হৈছে যে *গুৰু-চৰিত-কথাত* বক্তা আৰু শ্ৰোতাৰ মাজৰ শ্ৰৱণ-কথন প্ৰক্ৰিয়াৰ সহায়ত বিষয়বস্তু বর্ণিত হৈছে। সেয়ে ইয়াত এনে এটা কথনভঙ্গী ফুটি উঠিছে য'ত বক্তা আৰু শ্ৰোতাৰ মাজত নাটকীয় বাক্‌ৰীতিৰ দৃষ্টান্ত দেখা যায়।আপোনাৰ পাঠ্যখিনিৰ পৰাই এনে নাটকীয়তাপূর্ণ কথোপকথন ৰীতিৰ উদাহৰণ দেখুৱাব পাৰি—

> আছে চতন আতৈ এ বোলে বাপু তোমালৈ এটা কন্যা আনো ঃ আতা বোলে খুৰা তোমালকে আনো ঃ বোলে বুপা সবে গুচিল এতিয়া নকৰাএঁ আৰু আতা বোলে খুৰা তোমাৰ হলে খুৰি বুলি সবেখানি আমি খুজি খাব ল'বলৈ সজ ঃ বোৱাৰতি হ'লে তোম্ৰা খোজামেলা আচল।

> আৰু আমাক তুমি কেনেকৈ জানিলা ঃ বোলে বাপ ভাস্কৰ গুৰু হনু ঃ দৰিদ্ৰক অষ্টনিধি ঃ অন্ধলাক চক্ষু দিয়াদি বার্ত্তা কলে ঃ তোমাৰ ভৃত্যবো ভৃত্য জানিবা আমাক ঃ ভাস্কৰৰ প্ৰমাদেসে দেখিলো তোমাক।

*কথা গুৰু চৰিত*অথবা *গুৰু-চৰিত-কথা*মূল বিষয়বস্তুৰ সৈতে অসমীয়া সমাজ জীৱনৰ সম্বন্ধ নিগূঢ়ভাৱে জড়িত হৈছে। সেয়ে ইয়াত সেই জনজীৱন বা সমাজ জীৱনৰ কথিত ভাষাৰ ব্যৱহাৰ হোৱাটো বাস্তৱিক। কথিত ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত আলোচক বিৰিঞ্চি কুমাৰ বৰুৱাই তিনিটা বিশেষ দিশৰ কথা উল্লেখ কৰিছে—"কথা-বতৰাৰ বাক্য-ভঙ্গিমাৰ প্ৰয়োগত, চলিত সর্বনাম ক্ৰিয়াপদৰ সংযোগত আৰু ঘৰুৱা শব্দৰ প্ৰাচুর্যত।"

আপোনাৰ অধ্যয়নৰ বাবে বাচি লোৱা *গুৰু-চৰিত-কথা* গ্ৰন্থৰ অংশবিশেষত এই তিনিওটা দিশৰ প্ৰকাশ লক্ষ্য কৰিব পাৰি। ওপৰত উল্লেখ কৰা উদাহৰণ দুটিত ইয়াৰ প্ৰথমটি দিশ স্পষ্টভাৱে ফুটি উঠিছে। আনহাতে, চলিত সৰ্বনাম ক্ৰিয়াপদৰ সংযোগৰ যুগলবন্দী স্বৰূপ উদাহৰণ তলৰ উল্লিখিত উদ্ধৃতি দুটাত অতি সুন্দৰকৈ বিচাৰি পোৱা যাব।

দেখি ঠাকুৰ আতা বোলে বালাত আনি কিয় দিব্য ঃ বোলে ধুৱাহটা গ্ৰামে কলপুলি
দুটা ৰুই আহিচো তাতে দিচো ঃ বোলে অৎ দিলে তৎ পাব জীবনে মাহেকৰ পথে ঃ
ভাস্কৰ আতা বোলে সূৰ্য্য দহো এক লক্ষৰ ঊৰ্দ্ধ অৎ দিলে তৎনো পাবনে তুমিজে দিছা।

দেখি এ সিংহে সুধিলে বোলে তই কোন ঃ বোলে মহাৰাজ মোক চাগ বোলে ঃ
মহা আপদ সঙ্কটত তোম্ভাৰ নাম কলত ঃ আৰাসবে কৰ এৰাবলৈ কন্ধে বৈ আহাৰ
দিছে ঃ এতিয়া ঝেই কৰে তোম্ভা সেই ঃ

*গুৰু-চৰিত-কথা*ৰ ভাষাত অসমৰ সমাজ জীৱনত ব্যৱহৃত ঘৰুৱা ভাষাৰ ওৰাদানি ব্যৱহাৰ পোৱা যায়। নামনি অসমৰ 'স্থানীয়ীভূত' কিছুমান ৰূপ চকুত পৰাকৈ ইয়াত ব্যৱহাৰ কৰা হৈছে। মহেশ্বৰ নেওগে ইয়াৰ ভাষা "সম্পূৰ্ণভাৱে উজনীয়া মান্য ভাষা" বুলি কৈছে যদিও ভালেকেইগৰাকী বিশিষ্ট সমালোচকে ইয়াত ব্যৱহৃত ভাষাত কামৰূপী উপভাষাৰ সাদৃশ্যহে অধিককৈ বিচাৰি পাইছে। মুঠ কথা *গুৰু-চৰিত-কথা*ত উজনিৰ পৰা নামনিৰ গোৱালপাৰা অঞ্চললৈকে প্ৰচলিত ভাষাৰ 'আঞ্চলিক হেঁচা' অচিনাকিও হয়। এনে ঘৰুৱা শব্দৰ ব্যৱহাৰৰ উদাহৰণ তলত দিয়া হ'ল—

ঘৰোৱাহি, লাহ, ঘুঙ্গা, কটি, অৱথা, হৰাল, এখেৎ খৰ্চ্চা, চলাখানে, হুকি, বোলাকৰা, ঘুৰ, অৎ, তৎ, জেমা জোৰা, বিহান, গামচা, লিচই, বেহাৰ, ইত্যাদি। *গুৰু-চৰিত-কথা*ৰ ভাষাত এটি গুৰু গম্ভীৰ ভকতীয়া ঠাঁচ পৰিলক্ষিত হয়। আপুনি ইতিমধ্যে পাই আহিছে যে ধৰ্মীয় পৰিবেশত সত্ৰীয়া পৰম্পৰাৰ ঐতিহ্যপূৰ্ণ চৰিততোলা প্ৰথাৰ পৰাই এই বিধ চৰিত-সাহিত্যৰ সৃষ্টি। সেই হেতুকে ইয়াত ধৰ্মীয় আচ্ছাদনযুক্ত আৰু নম্ৰতাপূৰ্ণ ঠাঁচ এটি অৱধাৰিতভাৱে আহি পৰিছে।

*গুৰু-চৰিত-কথা*ৰ বাক্য-ৰীতিত এক বৈচিত্ৰ্যপূৰ্ণ দিশ লক্ষ্য কৰিব পাৰি। স্বাভাৱিক কথন-ৰীতিৰ ফলস্বৰূপে সৃষ্টি হোৱা এইবিধ চৰিত-সাহিত্যত সাধাৰণতে নিৰ্দেশক, আস্থাসূচক, প্ৰশ্নবোধক বিবৃতিমূলক বাক্যৰ সুপ্ৰয়োগ ঘটিছে। আনহাতে বিষয়বস্তুৰ উপযোগীকৈ সৰল, মিশ্ৰ আৰু যৌগিক বাক্যৰো যথোচিত সমাহাৰ ইয়াত লক্ষ্য কৰিব পাৰিব। সাধাৰণভাৱে ইয়াত চুটি চুটি বাক্যৰ ব্যৱহাৰৰ দ্বাৰা কথোপকথন ৰীতিৰ ক্ষিপ্ৰতা প্ৰতিপন্ন কৰা হৈছে, কিন্তু ঠায়ে ঠায়ে এটি —দুটি সমাসবদ্ধ দীঘলীয়া বাক্যৰ ব্যৱহাৰো ঘটিছে। এনে বৈচিত্ৰ্যময় বাক্যৰীতিয়ে *গুৰু-চৰিত-কথা*ৰ বাক্যশৈলীক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। উল্লেখযোগ্য যে বাক্যৰ এনে ব্যৱহাৰ সুস্পষ্ট কৰিবলৈ যতি চিনৰো উপযুক্ত প্ৰয়োগ কৰা হৈছে।

বুৰঞ্জীৰ ভাষাত বাক্যবোৰ 'পাচে', 'এই বুলি'ৰ দ্বাৰা আৰম্ভ হোৱাৰ নিচিনাকৈ *গুৰু-চৰিত-কথা*ৰো বাক্যবোৰ 'বোলে', 'পাচে', ইত্যাদিৰ দ্বাৰা আৰম্ভ কৰা হৈছে। যেনে—

'পাচে'ৰ ব্যৱহাৰ —

- পাচে চতন আতৈএ বোলে বাপু তোমালৈ এটি কন্যা আনো।
- পাচে আতা নাৱলৈ গল বিদাই লৈ সেৱাকৈ

'বোলে'ৰ ব্যৱহাৰ —

- বোলে বৰভুই ঃ বোলে তেনো সুকাই আচেনে।
- বোলে বাপ শ্ৰী শঙ্কৰদেৱক জেতিয়া সেৱা কৰিলোগৈ।

ইয়াৰ উপৰি বৰ্ণিত বিষয়সমূহৰ পাৱস্পৰিক প্ৰসঙ্গ আৰু সম্পৰ্ক ৰক্ষা কৰিবলৈ 'এতিয়া', 'এইমতে', 'আৰু', 'তেহে' আদিৰ দ্বাৰা বাক্য আৰম্ভ কৰাৰ এক ৰীতি ইয়াত দেখা যায়। আপোনাৰ অধ্যয়নৰ পাঠাংশৰ পৰাই ইয়াৰ উদাহৰণ দাঙি ধৰিব পাৰি—

- এতিয়া ঠাকুৰ আতাৰ চৰিত্ৰ বংশাৱলী।
- এইমতে বাল্য ক্ৰীড়া এৰি জৌৱন যোলল বৰ্ষ হল।
- আৰু সেই দেশত সবেও পান বেহা কৰে।
- তেহে আতা বুদ্ধি ডাঠ দেখি আজ্ঞা কৈলে।

*গুৰু-চৰিত কথা*ৰ গদ্যশৈলীৰ আন এক বৈশিষ্ট্যপূৰ্ণ দিশ হৈছে অনিয়মিত বাক্যৰ ব্যৱহাৰ। ইয়াত কৰ্তা, কৰ্ম আৰু ক্ৰিয়াপদৰ স্বাভাৱিক স্থানৰ প্ৰয়োগ নাথাকে। কেতিয়াবা কৰ্তাপদ উহ্যও হৈ থাকে। চৰিত পুথিৰ ভাষা লোকজীৱনৰ ভাষাৰীতিৰ পৰা আহৰিত হোৱা বাবেই এনে ৰীতিৰ প্ৰয়োগ হোৱা বুলি নিঃসন্দেহে ক'ব পাৰি।

*গুৰু-চৰিত-কথা*ত অসমীয়া জনজীৱনত ব্যৱহৃত নীতিবচন, প্ৰবাদ বাক্য, যোজনা-পটন্তৰ, খণ্ড বাক্য, ইত্যাদি জতুৱা প্ৰয়োগৰ নমুনা আছে। আপোনাৰ অধ্যয়নৰ বাবে নিৰ্দ্ধাৰিত পাঠ্যাংশৰ পৰাই ইয়াৰ উদাহৰণ দাঙি ধৰিব পাৰি—

- মৰা ভগাৎ জো এবিৰে কাল,
- সজ সম্পদত বিচাৰি সোধোতা নাই,
- আমি ব্ৰাহ্মণৰ নেদেখা জাপ্ৰাই বুৰ টাপ্ৰাই গ্ৰাহ,
- মোৰ ভক্ত থাকে জাত উদাৰ চৰিত্ৰ, কীট-পতঙ্গকো তথা কৰয় পৰিত্ৰ,
- উলুৱনিতো পদ্ম ফুলিছেহি।

এনেদৰে দেখা যায় যে, *গুৰু-চৰিত-কথা*ৰ ভাষাৰীতিৰ বুলি অসমীয়া গদ্য-সাহিত্যৰ এক বিশিষ্ট ধাৰা সূচিত হৈছে। এই ধাৰাটি অসমীয়া গদ্য-সাহিত্যৰ আন কেইটিমান সূঁতিৰ পৰা পৃথক। বুৰঞ্জীৰ গদ্য, তাৰো আগৰ ভট্টদেৱী গদ্য, ব্যৱহাৰিক সাহিত্যৰ গদ্য প্ৰভৃতিয়ে অসমীয়া গদ্য-সাহিত্যৰ পথ-পৰিক্ৰমাক ন ন সমৃদ্ধি প্ৰদান কৰিছে। চৰিত-সাহিত্যৰ গদ্য এনেবোৰ গদ্য-সাহিত্যৰ পৰা পৃথক। মহাপুৰুষ দুজনাৰ

লগতে বৈষ্ণৱ-পৰম্পৰাৰ সন্তসকলৰ জীৱন চর্যাৰ মাধ্যম হোৱা বাবেই ইয়াত উক্ত পৰম্পৰাৰ স্বাক্ষৰ থকাটো স্বাভাৱিক। চৰিত পুথিৰ বিষয়বস্তু কিঞ্চিৎভাৱে হ'লেও আত্মনিষ্ঠ, আনহাতে এই বিষয়বস্তুক উপস্থাপন কৰিবলৈ বক্তাৰ আৱেগ, ভক্তি আৰু বিনয়ৰ বিষয়কেইটাও জড়িত হৈ আছে। সেয়ে, ইয়াত উক্ত সকলো বিষয়কে দাঙি ধৰিব পৰা গদ্য-ৰীতিৰ নমুনা দেখাটো স্বাভাৱিক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ *গুৰু-চৰিত-কথাৰ* গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৩.৪.৬ কঠিন শব্দৰ টোকা

উদ্ধৰি = উদ্ধাৰি। বধি = বধ কৰি। ৰজচলা= ৰজস্বলা অৱস্থাত। সুত = পুত্র। নন্দন = পুত্র। অনুজ = পিছত জন্মা। শিয়ানন্দ = শিৱানন্দ। সান্ত = শান্ত। ঢোপ = খেল বিশেষ। ভটা = ভণ্টা খেল। চোৰ = এবিধ ল'ৰাৰ খেল। পচি = কড়ি-পঁচি খেল। বাঘ-ছাগ = বাঘ গৰুৰ সমতুল্য এবিধ খেল। বোলাবুলি = গালি পৰা বুলি। খনো = খেনো, কোনোৱে, কেতিয়াবা। সল = শ'ল মাছ। বাঙ্গন = বেঙেনা। ডৰিক = এবিধ চৰাই। ৰউও = ৰৌৰে। অউ = ঔ। সাদি = সাধি, বিচাৰি, খুজি। পানিগতিয়া = পানী কাষৰীয়া। শ্রেষ্টা = চেষ্টা। অলকে = ইয়ালৈ। চকি = দুৱাৰ, চৌকি। ৰাজ = ৰাইজ। জতৰ জতৰি = যঁতৰ আদি ঘৰুৱা সামগ্রী। সিৱনি = সিয়নি, মাজৰ ঘৰ। উপৰিয়ান = ওপৰত লোৱা কাপোৰ। অলমেহে = আলমেহে, আশাতহে। পসাৰি = পোহাৰী। খর্চ্চা = খৰচ। পসাৰলকে = পোহাৰলৈকে, দোকানলৈকে। পহাৰ = পোহাৰ, দোকান। হযুৱা = হজুৱা। কৰাৰ = কড়াৰ। সমাহ = বেপাৰী। সজাল = জুৱাৰি, খেলুৱৈ (?)। কৰিচলা = কড়িচলা। বোলাকৰা = তর্কা-তর্কি। উতৰ-পাতৰ = উত্তৰা-উত্তৰি। ফাট ঠ নৈৰ পাৰ আদিত কৰ তোলা থানা। সেৰা = সাৰা, টেকেলা। সোহল নমিয়া = ষোল নমীয়া। যোল্লটি নাম থকা অস্ত্র যিসকলৰ, চৈতন্যপন্থী। সাঙ্কো = প্রণতা। অৎ = ইয়াত, অ'ত। তৎ = তাত, ত'ত। জাপ্রাই = জপৰাই। টাপ্রাই = টপৰাই। একসন্ন = একশৰণ। সঙ্গাহে = একেলগে। ডাঙ্গৰিয়া বন্ধিয়া = মন্ত্রী, ডাঙৰ লোকৰ নিচিনা। জেমা জোৰা = জামাৰ সৈতে সম্ভ্রান্ত সাজ। বিহাম = ৰাতিপুৱা। খাৰচতা = খাৰনি চটা, খাৰ সৰু ওৰাৰ পিছত লঘ বন্ধা খাৰ। কৰাই খলা = কৰাই আদি ভজা কেৰাহী। চিলিঙ্গা = ধোঁৱা-চাং। চিৰ = ফটা কাপোৰ, সি দিয়া, কটা। নৰনি = নৰনি, নখ কটা যতন। ৰুধিৰ = তেজ। গৰমলি = পিয়াঘ, লস্কৰ। একলে = অকলশৰে, অকলে। দাৰোক = দণ্ড কৰক। কল্পেক মানে = আৰোপ কৰে মানে। বাক্য প্রহাৰ = কথাৰ দ্বাৰা দিয়া শাস্তি।



চিন্তা-চৰ্চা কৰক - ৩.১

গুৰু-চৰিত-কথাত প্ৰতিফলিত অসমীয়া সমাজ জীৱনৰ চিত্ৰ কেনেকুৱা ? এটি আলোচনা যুগুত কৰক।



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে আপোনাৰ পাঠ্যাংশ মধ্যযুগীয় চৰিত-সাহিত্যৰ অন্যতম নিদৰ্শন *গুৰু-চৰিত-কথাৰ* পৰা আহৰণ কৰা হৈছে। এই পাঠটিত নাৰায়ণ দাস 'ঠাকুৰ আতাৰ চৰিত্ৰ বংশাৱলী' শিৰোনামযুক্ত। ইয়াত এইজনা ঠাকুৰ আতাৰ বংশলতিকাৰ পৰিচয় দিয়া হৈছে আৰু তেওঁৰ জীৱনৰ কিয়দংশৰ বিৱৰণ সন্নিৱিষ্ট হৈছে।
- মহাপুৰুষ শঙ্কৰদেৱে অসমত প্ৰচলন কৰা একশৰণ নামধৰ্মৰ মূল তত্ত্বসমূহৰ বিষয়ে অৱগত হোৱাৰ লগতে তদানীন্তন অসমৰ সমাজ ব্যৱস্থাৰ সামগ্ৰিক দিশৰ বিষয়েও কিছু কথা জানিব পাৰিলে। সেই সময়ত গুৰু দুজনাৰ বাবে কেনেদৰে লোকসকলে ধৰ্মবস্তু ধাৰণ কৰিব পাৰিছিল, সেই বিষয়েও ধাৰণা কৰিব পাৰিছে।
- আপুনি পাঠটিৰ সহায়ত নাৰায়ণ দাস ঠাকুৰ আতাৰ সৈতে শঙ্কৰদেৱৰ সাক্ষাৎ কেনেদৰে হৈছিল আৰু পিছৰ কালত মাধৱদেৱৰ লগত আতাৰ সম্পৰ্ক কেনেদৰে ঘণীভূত হৈছিল তাৰো আভাস পাবলৈ সমৰ্থ হৈছে। আপোনাৰ বাবে নিৰ্ধাৰিত পাঠটি বৈষ্ণৱ পৰম্পৰাত প্ৰচলিত চৰিত-তোলা প্ৰথাৰ পৰা সৃষ্টি হোৱা চৰিত পুথিৰ গদ্যৰ এক চানেকি। ইয়াৰ সহায়ত আপুনি এই শ্ৰেণীৰ গদ্যৰ ভাষাতাত্ত্বিক পৰিচয় পাবলৈও সুযোগ পাইছে।
- অসমৰ বৈষ্ণৱ ধৰ্মত দুজনা গুৰুৰ সৈতে আতাসকলৰো এক গুৰুত্বপূৰ্ণ স্থান আছে। এই স্থানৰ মূল্যায়ন কৰা হয় তেওঁলোকৰ ধৰ্মীয় কাম-কাজৰ পিনে লক্ষ্য ৰাখি। নাৰায়ণ দাস ঠাকুৰ আতাই শঙ্কৰ গুৰুৰ সান্নিধ্য পোৱাৰ দিন ধৰি কেনেদৰে গুৰুজনাক এই ক্ষেত্ৰত সহায়-সাৰথি কৰিছিল সেইবোৰ বিষয় আপোনাৰ পাঠটিৰ আকৰ্ষণীয় দিশ।



৩.৬ অধিক জানিবলৈ

১) গোস্বামী, গোলকেশ্বৰ (২০১২); *গুৰু-চৰিত-কথা অধ্যয়ন আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ ।

২) চক্ৰৱৰ্তী, মুকুল (২০০০); *গুৰু-চৰিত-কথা অধ্যয়ন;* গুৱাহাটী।

৩) নেওগ, মহেশ্বৰ (সম্পা.)(১৯৮৭); *গুৰু-চৰিত-কথা;*গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৪) নেওগ, মহেশ্বৰ [1960] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য;*নলবাৰী ঃ জার্ণাল এম্পৰিয়াম।

৬) বর্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

৭) লেখাৰু, উপেন্দ্র চন্দ্র (সম্পা.) (১৯৫২); *কথা-গুৰু-চৰিত;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।

৮) শর্মা, গোবিন্দ প্রসাদ (১৯৯৩); *জীৱনী আৰু অসমীয়া জীৱনী;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

৯) শর্মা দলৈ, হৰিনাথ (১৯৯২); *অসমীয়া গদ্য সাহিত্যৰ গতিপথ;* নলবাৰী ঃ পদ্মপ্রিয়া লাইব্রেৰী।

৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ মধ্যযুগীয় অসমৰ ধর্মীয় ইতিহাসৰ নৱ-বৈষ্ণৱ ধর্মৰ উত্থান ঘটোৱা শঙ্কৰদেৱৰ তিৰোভাবৰ পিছত তেওঁৰ প্রধান শিষ্য মাধৱদেৱে গুৰুজনাৰ অন্যান্য শিষ্য-প্রশিষ্যসকলক লগত লৈ গুৰুৰ নাম-গুণ স্মৰণ কৰাৰ এই প্রথা আৰম্ভ কৰিছিল। পৰৱর্তী সময়ত এই পৰম্পৰাকে 'চৰিত তোলা প্রথা' নামকৰণ কৰা হয়। এই পদ্ধতি সম্পর্কে চমুকৈ আলোচনা কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ চৰিত পুথি কাক বোলে.....চৰিত তোলাৰ প্রথাৰ পৰা কেনেদৰে ইয়াৰ আৰম্ভ হ'ল... ...কোনে সেই প্রথাটো প্রৱর্তন কৰে আৰু পৰৱর্তী সময়ত ই কেনেদৰে লিখিত ৰূপ লাভ কৰি চৰিত সাহিত্য নামেৰে বিকশিত হয় সেই বিষয়ে কিছু কথা আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ *গুৰু-চৰিত-কথাৰ* চমু পৰিচয়... ...পাঠ্যবিষয়ৰ নির্বাচিত অংশত কি বিষয়বস্তুত কথা বর্ণনা কৰা হৈছে সেই বিষয়ে বহলাই আলোচনা কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ সম্পাদিত গ্রন্থ হিচাপে *গুৰু-চৰিত-কথাত* সন্নিৱিষ্ট হোৱা গুৰুত্বপূর্ণ বিষয়বস্তু... ...ইয়াৰ অন্তর্গত নাৰায়ণ দাস ঠাকুৰ আতাৰ জীৱন গাথা... ...তেওঁৰ চাৰিত্রিক বৈশিষ্ট্যসমূহৰ চমু আলোচনা।

৫নং প্রশ্নৰ উত্তৰ ঃ *গুৰু-চৰিত-কথাৰ* বিষয়বস্তুৰ চমু পৰিচয়... ...*গুৰু-চৰিত-কথাৰ* গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ— নাটকীয়তাপূর্ণ কথোপকথন ৰীতি, সমাজ জীৱনৰ লগত থকা নিগূঢ় সম্পর্ক, গুৰু-চৰিত-কথা গ্রন্থৰ গদ্যত অসমৰ সমাজ জীৱনত ব্যৱহৃত ঘৰুৱা ভাষাৰ প্রয়োগ লক্ষ্যণীয় বৈশিষ্ট্য, স্বাভাৱিক কথন-ৰীতিৰ ফলস্বৰূপে সৃষ্টি হোৱা এইবিধ চৰিত-সাহিত্যত নির্দেশক, আস্থাসূচক, প্রশ্নবোধক আৰু বিবৃতিমূলক বাক্যৰ সুপ্রয়োগ

ঘটা মন কৰিব লগীয়া বৈশিষ্ট্য, চুটি চুটি বাক্যৰ প্ৰয়োগ, অনিয়মিত বাক্যৰ ব্যৱহাৰ, অসমীয়া জনজীৱনত ব্যৱহৃত নীতি বচন, প্ৰবাদ বাক্য, যোজনা-পটন্তৰ, খণ্ড বাক্য, জতুৱা, ইত্যাদিৰ প্ৰয়োগ।



৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ চৰিত তোলা অথবা চৰিত চৰ্চা নামে প্ৰচলিত প্ৰথাটিৰ সৈতে আপোনাৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ আপোনাৰ পাঠৰ আধাৰত চৰিত-পুথিৰ গদ্যৰীতিৰ আভাস দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ অধ্যায়টিৰ সহায়ত নাৰায়ণ দাস ঠাকুৰ আতাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ৪ ঃ নাৰায়ণ দাস ঠাকুৰ আতাৰ গুৰু ভক্তি আৰু গুৰু নিষ্ঠা সম্বন্ধে কি জানে, লিখক।

প্ৰশ্ন ৫ ঃ পাঠৰ আধাৰত অসমৰ সমাজ-জীৱন সম্বন্ধে এটি নিবন্ধ প্ৰস্তুত কৰক।

প্ৰশ্ন ৬ ঃ নাৰায়ণ দাস ঠাকুৰ আতাই কেনেদৰে আৰু কিহৰ কিহৰ বেহা-বনিজ কৰিছিল ? সিবোৰৰ বিৱৰণ দাঙি ধৰক।

প্ৰশ্ন ৭ ঃ প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰক ঃ

ক) পানি গতিয়া ধান চাউল কঠা কষ্টে ঃ অলকে আইৰ খোজো কি বোল ঃ সি বোলে অহা জক পৰাখনি আটিএ গাতিএ শ্ৰেষ্টা কৰা জাব।

খ) সজ সম্পদত বিচাৰি সোধোতা নাই ঃ এতিয়া মাৰি এটাই ভোৰ মৰি দুণত খাবলৈ পাইচেহি।

গ) তোমাৰ হ'লে খুৰি বুলি সবেখানি আমি খুজি খাবলৈ সজ ঃ বোৱাৰতি হ'লে তোম্ৰা খোজামেলা আচল।

ঘ) এতেকে শূদ্ৰৰ তন্ত্ৰ মন্ত্ৰ কত আছে ঃ আমি ব্ৰাহ্মণৰ নেদেখা জাপ্ৰাই বুৰ টাপ্ৰাই গ্ৰাহ।

ঙ) এতেকে তিনি পূৰ্ণত্তম ভৰকৈ সম্প্যুৰ্ন্নে নাৰায়ণ দাস নাম থাকক কিন্তু।

চ) কৃষ্ণে বুলিৰে মোৰ ভক্ত থাকে জত উদাৰ চৰিত্ৰঃ কীট-পতঙ্গৰো তথা কৰয় পৰিত্ৰ।

ছ) এ উলুৱনিতো পদ্ম ফুলিছেহি।

*** ***** ***